## পাঠ :১২

# লোক সংস্কৃতি - ড° নবীন চন্দ্র শৰ্মা

---

১/ লোক পৰিৱেশ্য কলা বুলিলে কি বুজা?

উত্তৰঃ লোক পৰিৱেশ্য কলা লোক জীৱনৰ অতিকৈ গুৰুত্বপূৰ্ণ আৰু অন্তিম কলা । লোক সমাজৰ পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট, লোক-বাদ্যযন্ত্ৰ আৰু সমুদায় পৰিবেশন কৰা ব্যবস্থাটোকে বুজায় ।

২/ লোক সংস্কৃতিৰ বিষয়বস্তুক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি? ভাগ কেইটা কি কি ?

উত্তৰঃ লোক সংস্কৃতিৰ বিষয়বস্তুক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি । ভাগবোৰ হ'ল-
(ক) লোক - সাহিত্য আৰু

(খ) লোক জীৱন ।

৩/ "সমাজৰ পৰিবৰ্তনৰ লগে লগে লোক- সংস্কৃতিৰো পৰিৱৰ্তন ঘটে ।"- তোমাৰ পাঠৰ আলমত কথাষাৰ বুজাই লিখা ।
উত্তৰঃ সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ধ্যান- ধাৰণা চিন্তা-ধৰা, ৰুচিবোধ আদি যেনেকৈ পৰিৱৰ্তন হয়, পৰিৱৰ্তন হয় যুগ যুগ ধৰি প্ৰচলিত হৈ অহা লোক সংস্কৃতিৰ উপদানসমূহৰ । আগৰ সমাজ ব্যৱস্থা আছিল নিৰক্ষৰ হোজা - সেই- সময়ত লোক হিংস্কৃতি মানুহে যিভাৱে পালন কৰি আছিল; শিক্ষিত সমাজ বা আধুনিক সমাজত ইয়াৰ পৰিৱৰ্তন হোৱাটো তেনেই স্বাভাৱিক । সেয়ে হ'লেও লোক সংস্কৃতিয়ে কিন্তু নিজস্ব নেহেৰুৱে;মাত্ৰ পৰিৱৰ্তিত সমাজত ইয়াৰ কায়িকৰূপ সলনি হয় ।

৪/ ঐক্য সাধনৰ ক্ষেত্ৰত কি কি ভাৰতীয় গ্ৰন্থই সহায় কৰি আহিছে?

উত্তৰঃ ভাৰতৰ প্ৰাচীন কালৰে পৰা আদৰ্শৰ ক্ষেত্ৰত ঐক্য ভাব দেখা যায় । বৈচিত্ৰৰ মাজত ঐক্য হ'ল ভাৰতীয় সংস্কৃতিৰ আধাৰ । প্ৰাচীন কালৰে পৰা মুঠতে কেইখনমান গ্ৰন্থই ভাৰতীয় ঐক্য-সংহতি বজাই ৰখাত বিশেষ সহায় কৰি আহিছে । সেই কেইখন হ'ল- বেদ-উপনিষদ, গীতা-ভাগৱত, ৰামায়ণ,মহাভাৰত আদি ।

৫/ লোক কৃষ্টি বুলিলে কি বুজা?

উত্তৰঃ কোনো এখন সমাজৰ বা জাতিৰ আচাৰ-ব্যৱহাৰ,খোৱা-লোৱা, উৎসৱ-পৰ্ব, পূজা-পাতল, ৰীতি-নীতি আদিৰ সমষ্টিকে লোক কৃষ্টি বোলা হয় ।

৭/ সামাজিক আচাৰ - অনুষ্ঠান মানে কি?

উত্তৰঃ মৌখিক সাহিত্যই পৰম্পৰাগত সাহিত্য, পৰম্পৰাগত জীৱন আৰু মৌখিক সাহিত্য । এটি মুদ্ৰাৰ ইপিটি-সিপিঠিস্বৰূপ । সমাজ জীৱনত পালন কৰা জন্ম-বিবাহ, কৃষি, মৃত্যু বিষয়ত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান । লোক বিশ্বাসো ইয়াৰ ওপৰত নিৰ্ভৰশীল ।